অসম বিধান সভা

তৰাযুক্ত প্ৰশ্ন নং ১১৫

উত্তৰ দিয়া তাৰিখ ১৩/০৭/২০২৬

বিষয়ঃ চাহ জনগোষ্ঠীৰ শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে লোৱা পদক্ষেপ সম্পৰ্কে।

বিধায়কৰ নামঃ শ্ৰী সুৰেণ ফুকনঃ

**প্ৰশ্ন**

**মাননীয় চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত চাহ জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কি কি জলপানি চলি আছে ?

(খ) তিনিচুকীয়া জিলাত চাহ জনগোষ্ঠীৰ বিদ্যালয় বৰ্হিভূত ছাত্ৰ-ছাত্ৰীৰ বিগত ৫ বছৰৰ সংখ্যা শ্ৰেণী অনুসৰি জনাব ।

(গ) বিদ্যালয় বৰ্হিভূত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আনুসংগিক কোনো আঁচনি অথবা কাৰিকৰী শিক্ষা আদিৰ বিভাগে ব্যৱস্থা কৰিছে নেকি ?

**উত্তৰ**

**মাননীয় চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰী ৰামেশ্বৰ তেলী দেৱে উত্তৰ দিবঃ**

(ক) চাহ জনগোষ্ঠীয় আৰু আদিবাসী ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ বাবে চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগে বিভিন্ন জলপানি আঁচনি ৰূপায়ণ কৰিছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হ'ল:-

১) প্ৰৱেশিকোত্তৰ জলপানি।

২) উচ্চ শিক্ষাৰ বাবে আৰ্থিক অনুদান।

৩) ANM/GNM(নাৰ্ছ)/ কাৰিকৰী শিক্ষা বিষয়ত বিত্তীয় অনুদান।

(খ) বিষয়টি চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ অধীনস্থ নহয়।

(গ) বিষয়টি চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ অধীনস্থ নহয়।

**************************************